
অসম আদিত্য

■ ডিব্ৰুগড়, মঙলবাৰ, ২০ আগষ্ট, ২০২৪/৩ ভাদ, ১৯৪৬ শক ■

## ‘সংস্কৃত সাহিত্যলৈ পাশ্চাত্য বিদ্বানসকলৰ অৱদান’ শীৰ্ষক বক্তৃতানুষ্ঠান

# ডিব্ৰু মহাবিদ্যালয়ত বিশ্ব সংস্কৃত দিৱস উদ্‌যাপন

ডিব্ৰুগড়, ১৯ আগষ্টঃ সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে আজি শ্ৰাৱণী পূৰ্ণিমাত ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাংগণত ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ সহযোগত বিশ্ব সংস্কৃত দিৱস উদ্‌যাপন কৰা হয়। ডিব্ৰু মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ সহকাৰী অধ্যাপিকা হিমাদ্ৰী শৰ্মাই আঁত ধৰা সভাখনত উপস্থিত থাকে এই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, উপাধ্যক্ষা চন্দনা গগৈ, ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° মানসী শৰ্মা, সমল ব্যক্তি হিচাপে আমন্ত্ৰিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰাধ্যাপক ড° চন্দন শৰ্মা আৰু আটাইকেইখন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল তথা ছাত্ৰ-ছাত্ৰীসকল। সভাখনি এগছি বন্তি প্ৰজ্বলন আৰু মংগলাচৰণেৰে আৰম্ভ কৰা হয়। মংগলাচৰণ পৰিৱেশন কৰে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰী অংকিতা বৰা, অৰজিনি দিহিঙীয়া আৰু পূজা প্লাবিতা পাত্ৰই। মংগলাচৰণৰ অন্তত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ সহকাৰী অধ্যাপিকা পুষ্পা গাওঁখোৱাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। তদনন্তৰ ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাইয়ে সভাৰ আদৰণী ভাষণ প্ৰদান কৰে। তাৰ পিছত এই মহাবিদ্যালয়ৰ উপাধ্যক্ষা চন্দনা গগৈয়ে সকলো সংস্কৃতানুৰাগীলৈ সংস্কৃত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ভাৰতীয় সভ্যতা-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত সংস্কৃত ভাষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে এক বসাল বক্তৃতা প্ৰদান কৰে। মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ উপাধ্যক্ষা তথা সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মানসী শৰ্মাই দিনটোৰ তাৎপৰ্যৰ লগত সংগতি ৰাখি শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। ডিব্ৰু



মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক ড° মনোজ শৰ্মাই এটি সংস্কৃত গীত পৰিৱেশন কৰে। তাৰ পিছতেই অনুষ্ঠানটিৰ সমল ব্যক্তিৰূপে আমন্ত্ৰিত ড° চন্দন শৰ্মাই ইতিহাস আৰু সংস্কৃত ভাষাক সামৰি ‘সংস্কৃত সাহিত্যলৈ পাশ্চাত্য বিদ্বানসকলৰ অৱদান’ শীৰ্ষক এক সাৰুৱা বক্তৃতা প্ৰদান কৰে। তাৰ পিছত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী আবৃতা লিজা পাঠকে সংস্কৃত গীতত নৃত্য প্ৰদৰ্শন কৰে। শেষত এই মহাবিদ্যালয়ৰ অধ্যাপিকা চয়নিকা গোস্বামীয়ে সদৌটিলৈ শলাগৰ শৰাই আগবঢ়ায় আৰু তাতেই শান্তি পাঠেৰে সভাৰ পৰিসমাপ্তি ঘোষণা কৰা হয়।